আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত News Next Oneৰ বিশেষ সংযোজন অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, JANUARY 22, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ২৬ Guwahati, Assam ।। মূল্যঃ এটকা





# প্ৰাণ প্ৰতিষ্ঠা সম্পন্ন

## অপেক্ষাৰ পৰিল অন্ত

## অযোধ্যাত এতিয়া নতুন বসন্ত

**'আজি আমাৰ** ৰাম আহি গ'ল। শতিকাযোৰা অপেক্ষাৰ অন্তত আমাৰ ৰাম আহিছে। শতিকাযোৰা অভূতপূৰ্ব ধৈৰ্য, অসংখ্য বলিদান, ত্যাগ আৰু তপস্যাৰ পিছত আমাৰ প্ৰভু ৰাম আজি আহি গ'ল। এই শুভ ক্ষণত আপোনালোক সকলোকে, সমগ্ৰ দেশবাসীক বহুত বহুত অভিনন্দন।'-প্ৰাণ প্ৰতিষ্ঠাৰ অন্তত এইদৰে কয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে।

**শেষাংশ ২ পৃষ্ঠাত**

## ৰাহুল গান্ধীক বটদ্ৰৱা থানত প্ৰৱেশত বাধা প্ৰশাসনৰ



বিতং বাতৰি ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা

# অপেক্ষাৰ পৰিল অন্ত অযোধ্যাত এতিয়া নতুন বসন্ত

**ই-সংবাদ বিশেষ, ২২ জানুৱাৰীঃ** প্ৰভু শ্ৰী ৰাম উভতি আহিল৷ প্ৰাণ প্ৰতিষ্ঠা হ'ল প্ৰভু শ্ৰী ৰামৰ৷ যেন আকৌ এবাৰ বনবাস সামৰি জন্মস্থানলৈ উভতি আহিল প্ৰভু শ্ৰীৰাম৷ ৰামলালাক অযোধ্যাৰ ৰাম মন্দিৰৰ গৰ্ভগৃহত পবিত্ৰ কৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে৷ পবিত্ৰ কৰাৰ পাছতে প্ৰথমবাৰ ৰামলালাৰ মূৰ্তি দেখি মন্ত্ৰমুগ্ধ হয় ৰামভক্ত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰামলালা প্ৰাণ প্ৰতিষ্ঠা কাৰ্যসূচীৰ বাবে ৰূপৰ পেৰাচোল লৈ ৰাম মন্দিৰত উপস্থিত হয়। প্ৰধানমন্ত্ৰী মোদী ৰাম মন্দিৰ চৌহদত উপস্থিত হোৱাত শ্ৰী ৰাম জন্মভূমি মন্দিৰ চৌহদত হেলিকপ্টাৰেৰে পুষ্পবৃষ্টি কৰা পৰিলক্ষিত হয়৷ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ চমুকৈ আৰ.এছ.এছৰ মুৰব্বী মোহন ভাগৱত, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে ভব্য ৰাম মন্দিৰত প্ৰভু ৰামৰ প্ৰাণ প্ৰতিষ্ঠা কৰে৷ দিনৰ ১২ বজাত এই কাৰ্য সম্পন্ন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে৷ অভূতপূৰ্ব প্ৰতিমূৰ্তি দেখি আৱেগিক হ'ল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী৷ প্ৰধানমন্ত্ৰীনৰেন্দ্ৰ মোদীয়ে কয় যে অযোধ্যা মন্দিৰত ৰাম লালাৰ মূৰ্তিৰ অভিষেক অনুষ্ঠানৰ অংশ হোৱাটো সৌভাগ্যৰ বিষয়। অযোধ্যাত ৰাম লালাৰ প্ৰতি মূৰ্তিৰ অধ্যুষণ এক অভূতপূৰ্ব আৰু আৱেগিক মুহূৰ্ত। ৰাম লালাৰ অভিষেকৰ ৰীতি সম্পূৰ্ণ হোৱাত ভক্তিৰ সাগৰত ডুব গৈ 'ৰামময়' হৈ পৰিছে সমগ্ৰ দেশ৷ ভগৱান শ্ৰী ৰামৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠান সম্পাদন কৰিবলৈ পুৱা ১০.৩০ বজাত অযোধ্যাত উপস্থিত হয়৷ অযোধ্যাৰ বাল্মীকি বিমানবন্দৰত অৱতৰণ কৰি মোদীয়ে পুৱা ১০.৪৫ বজাত হেলিকপ্টাৰেৰে অযোধ্যা হেলিপেডত উপস্থিত হয়৷ প্ৰধানমন্ত্ৰীয়ে পুৱা ১০:৫৫ বজাত ৰাম মন্দিৰ চৌহদত উপস্থিত হয়। ৰাম লালাৰ মূৰ্তিৰ 'প্ৰাণ প্ৰতিষ্ঠা'ৰ ৰীতি-নীতি দুপৰীয়া ১২:০৫ বজাত আৰম্ভ হয় আৰু ৫০ মিনিট এই কাৰ্যসূচী চলে৷ প্ৰধানমন্ত্ৰীয়ে সকলো ৰীতি-নীতি সম্পূৰ্ণ কৰাৰ পিছত দুপৰীয়া ১ বজাত উদ্বোধনী স্থান ত্যাগ কৰে। ৰাম মন্দিৰৰ ওচৰত নৰেন্দ্ৰ মোদীৰ বাবে আয়োজন কৰা ৰেলী প্ৰধানমন্ত্ৰীয়ে জনসাধাৰণক সম্বোধন কৰে। ৫০০ বছৰীয়া অধ্যায়ৰ সামৰণি পেলাই উত্তৰ প্ৰদেশৰ অযোধ্যাত ৰাম মন্দিৰত প্ৰভু ৰামৰ প্ৰাণ প্ৰতিষ্ঠা হ'ল৷ প্ৰাণ প্ৰতিষ্ঠা কাৰ্যসূচীত দেশৰ প্ৰায় সংখ্যক বিশিষ্ট নাগৰিক উপস্থিত থাকে৷ মুকেশ আম্বানী, অমিতাভ বচ্চন, কংগনা ৰানাৱাট, ৰণবীৰ কাপুৰৰ দৰে তাৰকা উপস্থিত হয়৷ আজি কেন্দ্ৰীয় চৰকাৰৰ লগতে বিভিন্ন ৰাজ্যৰ চৰকাৰে অৰ্ধ ছুটি ঘোষণা কৰিছে। কংগ্ৰেছ শাসিত হিমাচলেও দেওবাৰে সম্পূৰ্ণ দিনৰ বন্ধ ঘোষণা কৰিছে। ৰাজস্থান, গুজৰাট, মধ্য প্ৰদেশ, ছত্তীশগড়, ওড়িশা, ছিক্কিম, উত্তৰ প্ৰদেশ, অসম আৰু মহাৰাষ্ট্ৰৰতো আজি সম্পূৰ্ণ দিন বন্ধ আছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কয় যে শ্ৰী ৰামলালাৰ পৱিত্ৰ অনুষ্ঠান চাবলৈ অহা সকলো অতিথি গণ্যমান্য ব্যক্তিক শ্ৰী অযোধ্যা ধামলৈ উষ্ম আদৰণি জনাইছো৷ আশ্চৰ্যজনক, পাহৰিব নোৱাৰা মুহূৰ্ত! মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত ভগৱান শ্ৰী ৰামলালাৰ পবিত্ৰ জন্মস্থান শ্ৰী অযোধ্যা ধাম সম্পূৰ্ণ হয়। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত অসংখ্য ৰাম ভক্তৰ অপেক্ষা সম্পূৰ্ণ হ'ল। বিশ্বাস আৰু ভক্তিৰ সাগৰত ডুব গৈ সমগ্ৰ দেশ 'ৰামময়' হৈ পৰিছে। জয় শ্ৰী ৰাম!

# কি ক'লে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে?

'**আজিৰে পৰা** আমাৰ ৰামলালা (শিশু ৰাম)ই টেণ্টত থাকিব নালাগে।' সোমবাৰে অযোধ্যাৰ ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ পিছত নিজৰ অনুভৱ প্ৰকাশ কৰি এইদৰে কয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। প্ৰধানমন্ত্ৰীৰ লগতে ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা উপলক্ষে আৰএছএছৰ মুৰব্বী মোহন ভাগৱত আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথেও ভাষণ প্ৰদান কৰে। অযোধ্যাত ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানৰ মুখ্য পূজা সোমবাৰে দুপৰীয়া ১২ বাজি ২৯ মিনিটত আৰম্ভ হয়। ইয়াৰ পিছত নিজৰ ভাষণত প্ৰধানমন্ত্ৰীয়ে কয়, 'সিয়াবৰ ৰামচন্দ্ৰ কী জয়।' নিজৰ ভাষণত প্ৰধানমন্ত্ৰীয়ে আৰু কয়, 'আজি আমাৰ ৰাম আহি গ'ল। শতিকাযোৰা অপেক্ষাৰ অন্তত আমাৰ ৰাম আহিছে। শতিকাযোৰা অভূতপূৰ্ব ধৈৰ্য, অসংখ্য বলিদান, ত্যাগ আৰু তপস্যাৰ পিছত আমাৰ প্ৰভু ৰাম আজি আহি গ'ল। এই শুভ ক্ষণত আপোনালোক সকলোকে, সমগ্ৰ দেশবাসীক বহুত বহুত অভিনন্দন।" "মই কেই মুহূৰ্তমান পূৰ্বে গৰ্ভগৃহত ঈশ্বৰীয় চেতনাৰ সাক্ষী হৈ আপোনাসবৰ সমুখত উপস্থিত হৈছো। কিমান যে কি ক'বলগীয়া আছে। পিছে কণ্ঠ আজি অৱৰুদ্ধ হৈ পৰিছে। মোৰ শৰীৰ এতিয়াও স্পন্দিত হৈ আছে। মন-প্ৰাণ এতিয়াও সেই ক্ষণত বিলীন হৈ আছে।"- প্ৰধানমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, "আমাৰ ৰামলালা আজিৰে পৰা টেণ্টত থাকিব নালাগে। আজিৰে পৰা দিব্য মন্দিৰত থাকিব। মোৰ দৃঢ় বিশ্বাস যে আজি যি হ'ল তাৰ অনুভৱে দেশ তথা বিশ্বৰ চুকে-কোণে থকা প্ৰতিগৰাকী ৰামভক্তক চুই যাব। এই ক্ষণ অলৌকিক।" ইয়াৰ লগতে মোদীয়ে আৰু কয়, 'মই আজি প্ৰভু ৰামৰ ওচৰত ক্ষমাভিক্ষা বিচাৰিছো। আমাৰ পুৰুষাৰ্থ, ত্যাগ, তপস্যাত হয়তো কিছু ক্ৰুটি ৰৈ গৈছিল যাৰ বাবে আমি বহু শতিকা ধৰি এই কাম সম্পন্ন কৰিব পৰা নাছিলো। আজি সেই কাম হৈ উঠিল। মোৰ পূৰ্ণ বিশ্বাস আছে যে প্ৰভু শ্ৰীৰামে আজি আমাক নিশ্চয়কৈ ক্ষমা কৰিব।' এই সন্দৰ্ভত জড়িত আইনী সংগ্ৰামৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতীয় ন্যায়পালিকাকো ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয়, 'ভাৰতৰ সংবিধানত, সংবিধানৰ প্ৰথম পৃষ্ঠাতে ৰাম বিৰাজমান। সংবিধান প্ৰণয়ন হোৱাৰ পিছতো বহু দশক ধৰি প্ৰভু শ্ৰীৰামৰ অস্তিত্বক লৈ আইনী যুদ্ধ চলিল। এই ছেগতে মই ভাৰতৰ ন্যায়পালিকাকো ধন্যবাদ জ্ঞাপন কৰিছো, যিয়ে ন্যায়ৰ মৰ্যাদা অক্ষুন্ন ৰাখিছে।' প্ৰধানমন্ত্ৰী মোদীয়ে ৰামেই ভাৰতৰ বিচাৰ আৰু প্ৰৱাহ বুলিও ভাষণত উল্লেখ কৰে। তেওঁ কয়, 'ৰাম ভাৰতৰ আস্থা, ৰাম ভাৰতৰ আধাৰ। ৰাম ভাৰতৰ বিচাৰ, ৰাম ভাৰতৰ বিধান, ৰাম ভাৰতৰ চেতনা, ৰাম ভাৰতৰ চিন্তা, ৰাম ভাৰতৰ প্ৰতিষ্ঠা, ৰাম ভাৰতৰ প্ৰতাপ, ৰাম প্ৰভাৱ, ৰাম প্ৰবাহ, ৰাম ৰীতিও হয়, ৰাম নীতিও হয়। ৰাম নিত্যতা হয়, ৰাম নিৰন্তৰতাও হয়, ৰাম ব্যাপক, ৰাম বিশ্ব, ৰামেই বিশ্বাত্মা। সেয়ে যেতিয়া ৰামৰ প্ৰতিষ্ঠা হয় তেতিয়া ইয়াৰ প্ৰভাৱ শতিকা পৰ্যন্ত নহয়, ইয়াৰ প্ৰভাৱ হাজাৰ বছৰলৈকে বিয়পি যায়।' উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে নিজৰ ভাষণত ৰাম মন্দিৰক ৰাষ্ট্ৰ মন্দিৰ আখ্যা দিয়ে।

# ৰাহুল গান্ধীক বটদ্ৰৱা থানত প্ৰৱেশত বাধা, ৰাজপথতে গালে 'ৰঘুপতি ৰাঘৱ ৰাজা ৰাম'

**ই-সংবাদ, মৰিগাঁও, ২২ জানুৱাৰীঃ** ভাৰত জোড়ো ন্যায় যাত্ৰাৰ আজি নৱম দিন। অসমত এই যাত্ৰাৰ আজি পঞ্চম দিন। আজি ভাৰত জোড়ো ন্যায় যাত্ৰা নগাঁও জিলাত আৰম্ভ হয়। আজি পুৱাই যাত্ৰাৰ বাবে পূৰ্বে নিৰ্ধাৰিত কাৰ্যসূচী ৰাহুল গান্ধীয়ে অনুসৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান-কৰ্মস্থলী হিচাপে খ্যাত বৰদোৱা থান পৰিদৰ্শন কৰাৰ কথা আছিল। কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীক বটদ্ৰৱা থানত প্ৰৱেশত আৰক্ষীয়ে বাধা দিয়ে। থান পৰিচালনা সমিতিয়ে পূৰ্বে অনুমতি প্ৰদান কৰি হঠাতে অনুমতি বাতিল কৰাৰ লগতে আৰক্ষীয়ে প্ৰৱেশত বাধা দিয়ে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ স্পষ্ট নিৰ্দেশনাত আৰক্ষী আৰু থান পৰিচালনা সমিতিয়ে প্ৰৱেশত বাদা দিয়া বুলি অভিযোগ উত্থাপন কৰে কংগ্ৰেছে। ফলত ৰাহুল গান্ধীয়ে থান সংযোগী পথত বহি প্ৰতিবাদ সাব্যস্ত কৰে। মহাত্মা গান্ধীৰ বহুলভাৱে জনপ্ৰিয় ভজন 'ৰঘুপতি ৰাঘৱ ৰাজা ৰাম' ভজন গায় প্ৰতিবাদ জনায়। এঘণ্টাৰো অধিক সময় বটদ্ৰৱাত ৰাহুল গান্ধী যাত্ৰা আৱদ্ধ হয়। এই ঘটনাক লৈ দেশজুৰি চৰ্চা হৈছে। কেইবা শ লোকৰ সৈতে ৰাজপথত থাকি ৰাহুল গান্ধীয়ে কয় যে থান পৰিদৰ্শন কৰিবলৈ বাধা দি আনসকলক অনুমতি দিয়া হৈছে। শ্ৰী শ্ৰী শংকৰদেৱ অসমৰ চিন্তাধাৰাক সৰ্বশ্ৰেষ্ঠ উপায়েৰে উপস্থাপন কৰিছে। আমাৰ গুৰু, আমিও তেওঁৰ পথ অনুসৰণ কৰো। যেতিয়া মই ইয়ালৈ আহিছো, মই থানত প্ৰণাম কৰাৰ কথা ভাবি আছিলো। আমি ১১ তাৰিখে নিমন্ত্ৰণ পাইছিলো। কিন্তু তাৰ পিছত আমাক কোৱা হৈছিল যে সকলোৱে যাব পাৰে, কিন্তু ৰাহুল গান্ধী যাব নোৱাৰে। যেতিয়াই মই সুযোগ পাম, মই থানলৈ যাম বুলিও কয় ৰাহুল গান্ধীয়ে। ৰাহুল গান্ধীৰ মন্তব্যৰ প্ৰায় ৩০ মিনিট পাছত থান পৰিচালনা সমিতিয়ে বটদ্ৰৱাৰ বিধায়িকা শিৱামণি বৰা আৰু সাংসদ গৌৰৱ গগৈক থান পৰিদৰ্শন কৰি সেৱা লোৱাৰ অনুমতি দিয়ে। ১০ বজাত সাংসদ গৌৰৱ গগৈ আৰু বিধায়িকা শিৱামণি বৰাই বটদ্ৰৱা থানত উপস্থিত হৈ সেৱা লয়। সাংসদ গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক লক্ষ্য কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানৰ ইতিহাসত এটা ক'লা দাগ লগালে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে। সাংসদ গৌৰৱ গগৈয়ে ৰাহুল গান্ধীৰ প্ৰতিনিধি হিচাপে বটদ্ৰৱা থানত উপস্থিত হৈ ৰাহুল গান্ধীক বটদ্ৰৱা থানলৈ অহাত মুখ্যমন্ত্ৰীয়ে বাধা দিয়ে বুলি অভিযোগ আনে। বটদ্ৰৱা থানত কোনো আইন শৃংখলা পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ আশংকা নথকা স্বত্বেও ৰাহুল গান্ধীক কেৱল মুখ্যমন্ত্ৰীৰ নিৰ্দেশতে বাধা দিয়াৰ অভিযোগ কৰে গৌৰৱ গগৈয়ে। সাংসদ গৌৰৱ গগৈ আৰু বিধায়িকা শিৱামণি বৰাৰ সন্মুখত বটদ্ৰৱা থানৰ প্ৰবেশদ্বাৰ জাপি বাটচ'ৰাতে এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। কংগ্ৰেছ সমৰ্থক আৰু বিজেপি সমৰ্থকৰ মাজত খণ্ডযুদ্ধ লাগে। অৱশ্যে পৰৱৰ্তী সময়ত আৰক্ষীৰ হস্তক্ষেপত পৰিস্থিতি নিয়ন্ত্ৰণ হয়। তাৰ পাছতে মৰিগাঁৱৰ গলচেপাত কংগ্ৰেছে এখন সংবাদমেল সম্বোধন কৰে। কংগ্ৰেছ নেতা জয়ৰাম ৰমেশ, জীতেন্দ্ৰ সিং, সাংসদ গৌৰব গগৈ, ভূপেন বৰাই সংবাদমেল সম্বোধন কৰে ৰাহুল গান্ধীক অসম চৰকাৰৰ প্ৰত্যক্ষ নিৰ্দেশত বটদ্ৰৱা থানত প্ৰৱেশ কৰিব নিদিলে বুলি অভিযোগ উত্থাপন কৰে। চৰকাৰে ৰাহুল গান্ধীৰ নিৰাপত্তাৰ বাবে বটদ্ৰৱা থানত প্ৰৱেশত বাধা দিয়া বুলি কৈছে যদিও প্ৰকৃততে সংবাদ মাধ্যমত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানৰ প্ৰচাৰত ব্যাঘাত জন্মিব বুলি বাধা দিয়া হৈছে। মোদীৰ পৰিবৰ্তে টেলিভিছনত ৰাহুল গান্ধীয়ে শিৰোনাম দখল কৰাৰ ভয়তে বটদ্ৰৱা থানত ৰাহুল গান্ধীক প্ৰৱেশ কৰিবলৈ পাকে-প্ৰকাৰন্তৰে বাধা দিয়াৰ গুৰুত্বৰ অভিযোগ উত্থাপন কৰে সাংসদ গৌৰব গগৈয়ে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ ওপৰত জামুগুৰিহাটত হোৱা আক্ৰমণ, সামাজিক মাধ্যমৰ কৰ্মীৰ কেমেৰা কাঢ়ি নি তাণ্ডৱ সৃষ্টি কৰা ঘটনাৰ ন্যায়িক তদন্তৰ দাবী উত্থাপন কৰে জয়ৰাম ৰমেশে। ন্যায় যাত্ৰাৰ সময়ত যোৰহাটত ৰাহুল গান্ধীৰ নিৰাপত্তাৰ দায়িত্বত থকা বিষয়াৰ বিৰুদ্ধে প্ৰশাসনে এজাহাৰ দাখিল কৰাত কংগ্ৰেছ নেতৃত্বই আশ্বৰ্য্য প্ৰকাশ কৰি কিবা আইনগত ব্যৱস্থা গ্ৰহণ কৰিলে কংগ্ৰেছ নেতৃত্বৰ ওপৰত লবলৈ কৈ গুৱাহাটীৰ মাজেৰে ভাৰত জোড়ো ন্যায় যাত্ৰা কৰিব বুলি পুনৰ প্ৰকাশ কৰে বৰাই। মৰিগাঁৱত যাত্ৰা উপস্থিত হোৱাত হাজাৰ হাজাৰ ৰাইজে বিপুল ভাৱে আদৰণি জনায়। অযোধ্যাৰ ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ দিনটোত নগাঁৱৰ পৰা মৰিগাঁও অভিমুখে ৰাহুল গান্ধীৰ কনভয় আহি থকা অৱস্থাত বাৰপূজীয়া, জৰাবাৰী, বৰভগীয়া, জালুগুটি, দন্দুৱা, দলবাৰী, মৰিগাঁৱত পথৰ দুয়োকাষে শাৰী পাতি হাজাৰ হাজাৰ ৰাইজে অভিবাদন জনায়। মৰিগাঁও মহাবিদ্যালয়ৰ সন্মুখৰ পৰা পদব্ৰজ ৰাহুল গান্ধীয়ে মৰিগাঁও নগৰলৈ যোৱাৰ কথা আছিল যদিও নিৰাপত্তাৰ খাতিৰত পদযাত্ৰা বাতিল কৰে প্ৰশাসনে। ৰাহুল গান্ধী জাগীৰোড হৈ অসম-মেঘালয় সীমান্তৰ ইউনিভাৰ্ছিটি অৱ ছায়েন্স এণ্ড টেকন লজীলৈ গৈ থকা অৱস্থাত জাগীৰোডত একাংশ বিজেপি সমৰ্থকে হাতে হাতে পতাকা লৈ নৰেন্দ্ৰ মোদী জিন্দাবাদ, জয় শ্ৰী ৰাম আদি ধ্বনি দিয়া পৰিলক্ষিত হয়।

# তীৰ্থযাত্ৰী বৃদ্ধি, অযোধ্যাত ‘অয়ো’ই খুলিব বহু নতুন হোটেল

**ই-সংবাদ, ২২জানুৱাৰীঃ** হোটেল আৰু গৃহত ফ্ৰেঞ্চাইজ চলোৱা ভাৰতীয় বহুজাতিক কোম্পানী অ’ৱাইঅ’ ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ সময়তে বৃহৎ ঘোষণা কৰিছে। অ’ৱাইঅ’ই অযোধ্যা, পুৰী, শিৰদী, বাৰাণসী, অমৃতসৰ, তিৰুপতি, হৰিদ্বাৰ, কাটৰা-বৈষ্ণো দেৱী আৰু চাৰি ধামপথকে ধৰি দেশৰ প্ৰধান আধ্যাত্মিক কেন্দ্ৰসমূহত ৪০০ খন নতুন হোটেল মুকলি কৰাৰ পৰিকল্পনা কৰিছে। আধ্যাত্মিক পৰ্যটন আৰু ধৰ্মীয় স্থানসমূহৰ ওচৰত থকাৰ ব্যৱস্থাৰ বৰ্ধিত চাহিদা পূৰণ কৰাৰ লক্ষ্য কৰি কোম্পানীটোৱে এই সিদ্ধান্ত লৈছে। চলিত বৰ্ষৰ শেষৰ ফালে অযোধ্যা, পুৰী, শিৰদী, বাৰাণসী, অমৃতসৰ, তিৰুপতি, হৰিদ্বাৰ, কাত্ৰ-বৈষ্ণো দেৱী, আৰু চাৰি ধাম পথৰ জনপ্ৰিয় স্থানত ৪০০ নতুন হোটেল মুকলি কৰাৰ বাবে সাজু হৈছে কোম্পানীটো। ৰাম মন্দিৰ মুকলি হোৱাৰ ফলত যোৱা এটা বছৰত অযোধ্যালৈ ভ্ৰমণৰ আগ্ৰহ ৩৫০ শতাংশ বৃদ্ধি পোৱা এই পদক্ষেপ লোৱা হৈছে অ’ৱাইঅ’। কৰ্তৃপক্ষই কয় যে বিগত এটা বছৰত অ’ৱাইঅ’ এপত অনুসন্ধানৰ ক্ষেত্ৰত অযোধ্যাই ধাৰাবাহিকভাৱে শীৰ্ষস্থান দখল কৰি আহিছে। নতুন বছৰৰ প্ৰাকক্ষণত চহৰখনত অ’ৱাইঅ’ এপ ব্যৱহাৰকাৰীৰ সংখ্যা ৭০ শতাংশলৈ বৃদ্ধি পাইছে। যোৱা বছৰ কোম্পানীটোৱে ঘোষণা কৰিছিল যে অযোধ্যাত তীৰ্থযাত্ৰীৰ আগমনৰ প্ৰতি লক্ষ্য ৰাখি ৫০টা হোম-ষ্টে মুকলি কৰিছে। য’ত মুঠ প্ৰায় ১০০০টা কোঠা উপলব্ধ। কোঠাসমূহৰ পৰা মূল চহৰ, বিশিষ্ট ধৰ্মীয় স্থান আৰু পৰ্যটনস্থলীলৈ সহজে প্ৰৱেশ কৰিব পৰা যায়। অযোধ্যা উন্নয়ন কৰ্তৃপক্ষ আৰু উত্তৰ প্ৰদেশ ৰাজ্যিক পৰ্যটন উন্নয়ন নিগমৰ সৈতে চুক্তি স্বাক্ষৰ কৰিছে কোম্পানীটোৱে। অ’ৱাইঅ’ৰ প্ৰতিষ্ঠাপক ৰিতেশ আগৰৱালাই কয় যে ভাৰতত আধ্যাত্মিক পৰ্যটন এক কীৰ্তি চিহ্নস্বৰূপ উত্থানৰ শিখৰত আছে।

# দেশৰ ১৫ বিভিন্ন জাতিৰ পুৰোহিতে সম্পন্ন কৰিলে ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা

**নতুন দিল্লী, ২২ জানুৱাৰীঃ** অযোধ্যাত ৰাম লালাৰ প্ৰাণ প্ৰতিষ্ঠাৰ কাৰ্যসূচীত সমগ্ৰ দেশৰ বিভিন্ন জাতি আৰু শ্ৰেণীৰ মুঠ ১৫ পুৰোহিত উপস্থিত থাকে। পুৰোহিতসকলে প্ৰধানমন্ত্ৰীৰ উপস্থিতিত পূজা-পাৰ্বণ কৰে। পুৰোহিতসকল দলিত, জনজাতীয়, অ’বিচি (যাদৱকে ধৰি) আৰু অন্যান্য জাতিৰ। শ্ৰী ৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰ ট্ৰাষ্টে পূৰ্বেই ১৪ পুৰোহিতৰ নাম প্ৰকাশ কৰিছিল। ৰাম মন্দিৰ মুখ্য আৰু শেষ অভিষেক অনুষ্ঠানৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, আৰ.এছ.এছৰ মুৰব্বী মোহন ভাগৱত, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ উপস্থিতিত পুৰোহিতসকলে প্ৰাণ প্ৰতিষ্ঠাৰ পূজা সম্পন্ন কৰে। ১৪ পুৰোহিতৰ তালিকাত আছে আৰ.এছ.এছৰ ভানবাসী কল্যাণ আশ্ৰমৰ সভাপতি ৰামচন্দ্ৰ খাৰাদী। জনজাতীয় সম্প্ৰদায়ৰ খৰাদী উদয়পুৰৰ। তিনিজন পুৰোহিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লোকসভা সমষ্টি বাৰাণসীৰ। কাশীৰ ডোম ৰজা অনিল চৌধুৰী। বাৰাণসীৰ আন দুজন পুৰোহিত হৈছে কৈলাশ যাদৱ আৰু কাবীন্দ্ৰ প্ৰতাপ সিং। অসমৰ ৰাম কুই জেমি, চৰ্দাৰ গুৰু চৰণ সিং গিল (জয়পুৰ), কৃষ্ণ মোহন (হৰদয়, ৰবিদাসী সমাজৰ পৰা), ৰমেশ জৈন (মুলতানি), আদালাৰাছন (তামিলনাড়ু), বিঠলাৰাও কাম্বলে (মুম্বাই), মহাদেৱ ৰাও গাইকৱাদ (লাটুৰ, ঘুমন্তু সমাজৰ ট্ৰাষ্টী), লিংগৰাজ বাসৱৰাজ আপ্পা (কৰ্ণাটকৰ কালাবুৰাগী), দিলীপ বাল্মিকী (লক্ষ্নৌ), আৰু অৰুণ চৌধুৰী (হাৰিয়ানাৰ পালৱাল) উপস্থিত থাকে। শ্ৰী ৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰৰ ন্যাসৰক্ষী সমিতিৰ অৱধ শাখাৰ সদস্য আৰ.এছ.এছৰ নেতা অনিল মিশ্ৰ আৰু পত্নী উষাই হৈছে প্ৰধান পুৰোহিত। যি দুগৰাকী পুৰোহিতে অভিষেক অনুষ্ঠানৰ পূৰ্বে অনুষ্ঠানসমূহ সম্পন্ন কৰিছিল। ২০২০ চনত নিৰ্মাণ কাৰ্য চোৱাচিতা কৰিবলৈ গঠিত শ্ৰী ৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰত ১৫ ন্যাসৰক্ষীৰ ভিতৰত মিশ্ৰ অন্যতম।

# আমবাৰীত প্ৰাণ প্ৰতিষ্ঠাৰ অনুষ্ঠান চালে মুখ্যমন্ত্ৰীয়ে

**ই-সংবাদ, ২২ জানুৱাৰীঃ** অসমত চলি আছে ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰা। এই যাত্ৰাৰ সময়ত মধ্য অসমত ইতিমধ্যে কেইবাটাও বিক্ষিপ্ত ঘটনা সংঘটিত হৈছে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেতাৰ গাড়ীত আক্ৰমণৰ প্ৰয়াস কৰাৰ লগতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাক আক্ৰমণ কৰা হৈছে। এনে সময়ত অসম এৰি যোৱা নাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। বিজেপিৰ এই সময়ৰ কট্টৰ হিন্দুত্ববাদী চেহেৰা ৰূপে জনাজাত হিমন্ত বিশ্ব শৰ্মাই অযোধ্যাৰ ভব্য আয়োজনলৈ নগ’ল। বিশেষ দিনটোত হিমন্ত বিশ্ব শৰ্মাই নিজ ৰাজ্যতে থাকি পোনপটীয়া সম্প্ৰচাৰ যোগে অনুষ্ঠান প্ৰত্যক্ষ কৰে। গুৱাহাটী আমবাৰীত বৃহৎ পৰ্দাত সতীৰ্থ মন্ত্ৰী, বিধায়ক তথা বিজেপিৰ নেতা-কৰ্মীৰ সৈতে প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠান উপভোগ কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই।

# মেঘালয়ত ৰাহুলৰ ন্যায় যাত্ৰাক সহস্ৰাধিকৰ আদৰণি

**ই-সংবাদ, শ্বিলং, ২২ জানুৱাৰীঃ** যোৰবাটৰ অসম-মেঘালয় সীমান্তৰে ৰাহুল গান্ধীৰ ন্যায় যাত্ৰা আজি দুপৰীয়া মেঘালয়ত প্ৰৱেশ কৰে৷ ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাৰ ৰাষ্ট্ৰীয় পতাকা মেঘালয়ৰ পাহামছিয়েম গাঁৱত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই মেঘালয় প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভিনচেণ্ট এইচ পালাৰ হাতত হস্তান্তৰ কৰে৷ অসম-মেঘালয় সীমান্তৰ পাহামছিয়েম গাঁৱৰ পৰা ৰাহুল গান্ধীয়ে পদযাত্ৰা আৰম্ভ কৰে। মেঘালয়ত ন্যায় যাত্ৰা প্ৰৱেশৰ পাছতে হাজাৰ হাজাৰ লোকে আদৰণি জনাবলৈ ওলাই আহে৷ যাত্ৰা পথত ৰাহুল গান্ধীয়ে কেইবাঠাইত বাছৰ পৰা নামি ৰাইজক সাক্ষাৎ কৰে৷ যুৱ-ছাত্ৰৰ সৈতে মত-বিনময় কৰে৷ পথৰ দাঁতিত থকা দোকানত ৰাহুল গান্ধীয়ে সুস্বাদু আনাৰসৰ সোৱাদলৈ কয় যে মই গোটেই জীৱনত মেঘালয়তকৈ অধিক সুস্বাদু আনাৰস কতো পোৱা নাই৷ ৰাহুল গান্ধীয়ে আনাৰসক লৈ প্ৰশ্ন কৰি কয় যে সমগ্ৰ বিশ্বৰ বাবে সৰ্বশ্ৰেষ্ঠ সোৱাদ যুক্ত আনাৰস সকলোতে উপলব্ধ নহয় কিয়? লণ্ডন, নিউয়ৰ্ক বা টকিঅ'ত পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ সোৱাদ যুক্ত আনাৰস কিয় বিক্ৰী কৰা হোৱা নাই? বাকী বিশ্বলৈ আনাৰস বিক্ৰী কৰাৰ ফলত কৃষকসকল লাভান্বিত নহলহেঁতেন নেকি বুলি প্ৰশ্ন কৰে? আনাৰসৰ ৰপ্তানীয়ে মেঘালয়ৰ প্ৰতি মানুহৰ দৃষ্টিভংগী সলনি কৰিব বুলিও কয় গান্ধীয়ে৷ নৌংপুত বিশাল জনসভা সম্বোধন কৰি ৰাহুল গান্ধীয়ে যোৱা বছৰ কন্যাকুমাৰীৰ পৰা কাশ্মীৰলৈ 'ভাৰত জোড়ো যাত্ৰা' কৰাৰ কথা উল্লেখ কৰি বিজেপি আৰু আৰ.এছ.এছে আমাৰ দেশৰ ভেটিত আক্ৰমণ কৰা বুলি কয়। ৰাহুল গান্ধীয়ে আৰু কয় যে সকলো ধৰ্মৰ লোকে ভাৰতত সুসংগতভাৱে বাস কৰিব লাগে৷ সকলো সম্প্ৰদায়, ভাষা আৰু পৰম্পৰাক সন্মান জনাব লাগে৷ এই ধাৰণাই আজি আক্ৰমণৰ সন্মুখীন হৈছে। ভাৰতত এই ধাৰণাকে সুৰক্ষিত কৰিবলৈ সাগৰৰ পাৰৰ পৰা কাশ্মীৰৰ পৰ্বতলৈ খোজ কাঢ়িছো। আমি কৃষক, শ্ৰমিক আৰু যুৱসকলৰ কথা শুনিছিলো। সেই যাত্ৰাৰ পাছত, বহুলোকে বিচাৰিছিল আমি উত্তৰ-পূব, ওড়িশা, বংগ, উত্তৰ প্ৰদেশ আৰু বিহাৰত বাস কৰা লোকৰ কথা শুনিব লাগে। গতিকে আমি মণিপুৰৰ পৰা মহাৰাষ্ট্ৰলৈ আন এটা যাত্ৰা কৰাৰ সিদ্ধান্ত লৈছিলো। নৌংপুত গান্ধীয়ে মণিপুৰৰ পৰা ন্যায় যাত্ৰা আৰম্ভ কৰাৰ কাৰণ বৰ্ণনা কৰি কয় যে আমি মণিপুৰৰ পৰা ভাৰত জোড়ো ন্যায় যাত্ৰা কিয় আৰম্ভ কৰিছিলো? কাৰণ হ'ল আৰ.এছ.এছ আৰু বিজেপিৰ আদৰ্শই মণিপুৰৰ ধাৰণাক ধ্বংস কৰিছে। ঘৃণা আৰু হিংসাৰ ৰাজনীতিয়ে ৰাজ্যখনক বিচ্ছিন্ন কৰি পেলাইছে৷ যাৰ ফলত শ শ লোকৰ মৃত্যু হৈছে আৰু হাজাৰ হাজাৰ লোকে সম্পত্তি হেৰুৱাইছে। এয়া এক ট্ৰেজেডী! সেইকাৰণে আমি মণিপুৰৰ মানুহে অনুভৱ কৰা বেদনাৰ বিষয়ে ভাৰতৰ বাকী অংশলৈ লৈ যাব খুজিছো৷ এয়া আশ্চৰ্যজনক যে ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে এতিয়ালৈকে মণিপুৰ ভ্ৰমণ কৰা নাই। মণিপুৰ ভাৰতীয় ৰাজ্য নহয় নেকি? মণিপুৰৰ লোকসকল ভাৰতৰ অংশ নহয় নেকি? যদি প্ৰধানমন্ত্ৰীয়ে মণিপুৰত হিংসা বন্ধ কৰিব বিচাৰে৷ তেন্তে তেওঁ তিনি দিনৰ ভিতৰত বন্ধ কৰিব পাৰে। সঁচা কথাটো হ'ল, তেওঁ মণিপুৰৰ হিংসা বন্ধ কৰিবলৈ আগ্ৰহী নহয়। গান্ধীয়ে আৰু কয় 'আপোনালোকৰ সংস্কৃতি, পৰম্পৰা আৰু ভাষাক সন্মান কৰো। আমি বিশ্বাস কৰো যে মেঘালয়ক মেঘালয়ৰ পৰা শাসন কৰা উচিত। আমাৰ মহান ৰাষ্ট্ৰৰ সকলো ৰাজ্য সমান, আৰু কণ্ঠস্বৰও সমানে গুৰুত্বপূৰ্ণ। আজি মেঘালয়, মণিপুৰ আৰু অৰুণাচলৰ কণ্ঠস্বৰ আক্ৰমণ কৰা হৈছে। আজি আৰ.এছ.এছে সংবিধান আৰু ভাৰতৰ প্ৰতিষ্ঠানগত পৰিকাঠামোক কণ্ঠৰোধ কৰিছে। মেঘালয় দিল্লীৰ পৰা শাসন কৰা হৈছে। এইটো গ্ৰহণযোগ্য নহয়।'' ৰাহুল গান্ধীয়ে মেঘালয়ত বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে গৃহমন্ত্ৰী অমিত শ্বাহে মেঘালয়ৰ চৰকাৰক দেশৰ আটাইতকৈ দুৰ্নীতিগ্ৰস্ত চৰকাৰ বুলি অভিহিত কৰিছিল বুলি দোহাৰে। মেঘালয় চৰকাৰক আটাইতকৈ দুৰ্নীতিগ্ৰস্ত বুলি কৈ পাছত একেলগে চৰকাৰ চলাইছে বুলি অভিযোগ আনে৷ আপোনালোকৰ ভাষা অষ্টম অনুসূচীত অন্তৰ্ভুক্ত হোৱা নাই। আপোনাৰ ভূমি, আদিবাসী, স্থানীয় লোক আৰু অৰণ্যৰ সুৰক্ষাৰ বাবে থকা গাঁথনি উৎখাত কৰা হৈছে। মেঘালয়ত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ বন্ধ কৰি দিয়া হৈছে বুলি কৈ আক্ষেপ কৰে গান্ধীয়ে৷



# মুখ্যমন্ত্ৰীৰ পদত্যাগ দাবী বিৰোধী ঐক্য মঞ্চ, অসমৰ

**ই-সংবাদ, ২২ জানুৱাৰীঃ** ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰাৰ সময়ত লখিমপুৰ আৰু শোণিতপুৰ জিলাৰ সংঘটিত আক্ৰমণৰ ঘটনাক লৈ ৰাজ্যত চাঞ্চল্যৰ অব্যাহত থকাৰ সময়তে আজি বিৰোধী ঐক্য মঞ্চ, অসমে গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰে। বিৰোধী ঐক্য মঞ্চ, অসমৰ সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈ আৰু মুখ্য মুখপাত্ৰ অখিল গগৈৰ উপস্থিতিত অনুষ্ঠিত সংবাদমেলত আইন-শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণত ব্যৰ্থ হোৱাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পদত্যাগ দাবী কৰে। বিৰোধী ঐক্য মঞ্চৰ ১৫টা ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত সংবাদমেলত অখিল গগৈয়ে এই কাণ্ডৰ দ্বাৰা বিজেপিয়ে গোটেই পৃথিৱী আৰু ভাৰতবৰ্ষত অসমৰ বদনাম আনিছে বুলি কয়। ভাৰতবৰ্ষৰ সৰ্ববৃহৎ বিৰোধী দলে অনুমতি লৈ যাত্ৰা শান্তিৰে উলিয়াইছে। এনে শান্তিপূৰ্ণ যাত্ৰাত অবাঞ্চিত, গৰিহণাযোগ্য, ঘৃণনীয় আক্ৰমণ গণতান্ত্ৰিক দেশৰ বাবে লজ্জাৰ বিষয়। আমি অসমীয়া হিচাপে প্ৰত্যেকজন অসমীয়াই এনে কাণ্ডক ঘৃণা কৰা উচিত। প্ৰতিবাদ কৰা উচিত। ভৱিষ্যতে যাতে এনে কাণ্ড সংঘটিত নহয় তাৰ বাবে জনমত গঠন কৰা উচিত। অখিল গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পদত্যাগ দাবী কৰে। দুটা কাৰণত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পদত্যাগ কৰা উচিত বুলি কয়। যদি এই কাণ্ড মুখ্যমন্ত্ৰীৰ পৃষ্ঠপোষকতাত হোৱা নাই আৰু অগোচৰে হৈছে তেন্তেও মুখ্যমন্ত্ৰীয়ে পদত্যাগ কৰা উচিত।

অখিল গগৈয়ে কয় মুখ্যমন্ত্ৰীয়ে আইন-শৃংখলা ৰক্ষা কৰাত বিফল হৈছে। আনহাতে ভাৰতবৰ্ষৰ সৰ্ববৃহৎ বিৰোধী দল, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী আৰু দলটোৰ প্ৰদেশৰ সভাপতি থকা যাত্ৰাত দিনৰ পোহৰত এনেকুৱা আক্ৰমণ হৈছে তেনে ইয়াক জংঘলৰাজ বুলি কোৱাই নহয়, হিটলাৰী ৰাজ বুলি ক'ব পাৰি। আজি দেশ আৰু ৰাজ্যত অঘোষিত জৰুৰীকালীন অৱস্থা চলিছে। মানুহৰ নিৰাপত্তা নাই। অখিল গগৈয়ে এই ঘটনাক মুখ্যমন্ত্ৰীয়ে নিজেই পৃষ্ঠপোষকতা কৰা বা উচটনি দিয়াৰ সন্দেহ কৰিছে। মুখ্যমন্ত্ৰীৰ কথা-বাৰ্তাৰ পৰা অনুমান কৰা হৈছে বুলি কৈ অখিল গগৈয়ে কয় এই ঘটনাৰ উদ্বেগ প্ৰকাশ কৰাৰ পৰিৱৰ্তে মুখ্যমন্ত্ৰীয়ে ঘটনাক মান্যতা দিব বিচাৰিছে। ঘটনাত প্ৰত্যক্ষ-পৰোক্ষাভাবে মুখ্যমন্ত্ৰী জড়িত। চৰকাৰ নিজেই জড়িত। মুখ্যমন্ত্ৰীয়ে পদত্যাগ কৰি ৰাজহুৱাকৈ ক্ষমা বিচাৰক। এনে অভদ্ৰামী, নৈৰাজ্যবাদী কাৰ্য যাতে বিজেপিয়ে পুনৰ নকৰে তাক নিশ্চিত কৰিবলৈ দাবী উত্থাপন কৰে অখিল গগৈয়ে। বাকী থকা ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাক সুৰক্ষা দিবলৈও দাবী জনাই অখিল গগৈয়ে। নদুৱাৰ সমষ্টিৰ অন্তৰ্গত জামুগুৰিহাটত ২১ জানুৱাৰীত বাৰেচহৰীয়া ভাওনা খেলপথাৰৰ সমীপত ভাৰত জোড়ো ন্যায় যাত্ৰাত ৰাহুল গান্ধী উঠি অহা গাড়ীত আক্ৰমণ আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাক শাৰীৰিকভাৱে আক্ৰমণ কৰি আহত কৰা ঘটনাৰ বিৰোধী ঐক্য মঞ্চই তীব্ৰভাষাৰে নিন্দা কৰে আৰু এনে গুণ্ডাগিৰি অসমত নচলিব বুলি সকীয়াই দিয়াৰ লগতে দোষীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰাৰ দাবী জনায়। ঐক্যমঞ্চই কয় যে সমগ্ৰ ঘটনা পৰিকল্পিত যেন লাগে এইবাবেই যে মুখ্যমন্ত্ৰীয়ে বাৰে বাৰে ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰাৰ বিৰুদ্ধে কথা কৈ আহিছিল আৰু তেওঁৰ উচটনিতেই একাংশ বিজেপি কৰ্মীয়ে দেশৰ বৃহৎ ৰাজনৈতিক দলটোৰ নেতা ৰাহুল গান্ধীক আক্ৰমণ কৰাৰ সাহস কৰিলে। সমগ্ৰ অসমক দেশৰ ওচৰত লজ্জানত কৰা এই ঘটনাৰ বাবে মুখ্যমন্ত্ৰীয়ে অসমৰ ৰাইজৰ ওচৰত ক্ষমা খোজক আৰু অসমীয়া ৰাইজে ইয়াৰ বিৰুদ্ধে প্ৰৱল জনমত গঢ়ি তুলিব লাগে বুলি আজি দুই গগৈয়ে সংবাদমেলত সজোৰে দাবী উত্থাপন কৰে। বিধায়ক পদ্ম হাজৰিকাৰ সৌঁহাত স্বৰূপ একাংশ বিজেপি কৰ্মীয়ে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক শাৰীৰিকভাৱে অপদস্থ কৰাৰ লগতে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, জ্যেষ্ঠ কংগ্ৰেছ নেতা জয়ৰাম ৰমেশৰ ওপৰত চলোৱা আক্ৰমণৰ ঘটনাই অসমৰ ঐতিহ্য আৰু সংস্কৃতিৰ ওপৰত আঘাত হনা বুলি লুৰীণজ্যোতি গগৈয়ে অভিযোগ কৰে। ঐতিহ্যমণ্ডিত জামুগুৰিহাটৰ বাৰেচহৰীয়া ভাওনা সমন্বয়স্থলীৰ ওচৰত সংঘটিত এনে অপ্ৰীতিকৰ ঘটনাই সমগ্ৰ দেশৰ ওচৰত অসমবাসীৰ নাক-কাণ কাটিলে বুলিও লুৰীণজ্যোতি গগৈয়ে অভিযোগ কৰে। ইফালে, অসমৰ বিশিষ্ট চিন্তাবিদ ড০ হীৰেন গোঁহাই আৰু শিক্ষাবিদ অখিল ৰঞ্জন দত্ত সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যৰো প্ৰতিবাদ জনায় বিৰোধী ঐক্য মঞ্চই। হিমন্ত বিশ্ব শৰ্মাই নিজৰ দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰ ঢাকিবৰ বাবে এতিয়া তেওঁৰ বিৰুদ্ধে মাত মাতি অহা লোকসকলক নাকী লগাবলৈ আইনী ব্যৱস্থাৰ কথা দোহাৰিছে। ড০ হীৰেণ গোঁহাই সন্দৰ্ভত অশালীন মন্তব্য কৰি মুখ্যমন্ত্ৰীজনে নিজৰ নীচ মানসিকতাৰ পৰিচয় দিয়াৰ লগতে মুখ্যমন্ত্ৰীৰ আসনখনকো কলংকিত কৰিলে বুলি গগৈয়ে মন্তব্য কৰে। সংবাদমেলত উপস্থিত থাকি চিপিএম দলৰ ৰাজ্যিক সম্পাদক সুপ্ৰকাশ তালুকদাৰে ৰাজ্য চৰকাৰ আইন-শৃংখলা নিয়ন্ত্ৰণত সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱা বুলি অভিযোগ কৰে আৰু ৰাজহুৱা স্বাৰ্থত মুখ্যমন্ত্ৰীৰ পদত্যাগ দাবী কৰে। তালুকদাৰে কয় যে এই চৰকাৰখনৰ বিৰুদ্ধে সকলো শ্ৰেণীৰ নাগৰিকে একত্ৰিতভাৱে প্ৰতিবাদ জনাব লাগে এইবাবেই যে চৰকাৰখনে গণতান্ত্ৰিক প্ৰমূল্যবোধক ধূলিস্যাৎ কৰিবলৈ বাৰে বাৰে ষড়যন্ত্ৰ কৰিছে। অসম প্ৰদেশ কংগ্ৰেৰ উপ-সভাপতি ৰমেন বৰঠাকুৰে সংবাদমেলত উপস্থিত থাকি বিজেপি দল আৰু চৰকাৰ ৰাহুল গান্ধীৰ জনপ্ৰিয়তাত শংকিত হৈ পৰা উল্লেখ কৰি কয় যে ভাৰত জোড়ো যাত্ৰা আন প্ৰদেশৰ মাজেৰেও শান্তিপূৰ্ণভাৱে পাৰ হৈ আহিছে যদিও অসমত অশান্তি কৰিবলৈ মুখ্যমন্ত্ৰীয়ে বিজেপি কৰ্মীসকলক প্ৰৰোচিত কৰিছে।

# ভকতগাঁৱৰত ফালিলে ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাৰ বেনাৰ-পোষ্টাৰ

**ই-সংবাদ, ২২ জানুৱাৰীঃ** কংগ্ৰেছে অসমত ভাৰত জোড়ো ন্যায় যাত্ৰাক বিফল কৰিবলৈ চৰকাৰী তন্ত্ৰই প্ৰয়াস কৰাৰ অভিযোগ উত্থাপন কৰি অহাৰ সময়তে ন্যায় যাত্ৰাত পুনৰ অপ্ৰীতিকৰ কাণ্ড সংঘটিত হৈছে৷ মৰিগাঁৱৰত ভাৰত জোড়ো ন্যায় যাত্ৰাৰ বেনাৰ-পোষ্টাৰ ফালি পেলোৱাৰ অভিযোগ উত্থাপন হৈছে৷ দুৰ্বৃত্তই মৰিগাঁও জিলাৰ ভকতগাঁৱৰত হৰ্ডিং ভাঙি ৰং সানি অনিষ্ট কৰে৷ এই কাণ্ড বিজেপিৰ গুণ্ডা বাহিনীয়ে সংঘটিত কৰা বুলি অভিযোগ উত্থাপন কৰে প্ৰদেশ কংগ্ৰেছে৷ বিজেপিয়ে ৰাহুল গান্ধীৰ যাত্ৰাত শংকিত হৈ এনে কাণ্ড সংঘটিত কৰা বুলি কৈ কংগ্ৰেছে কয় যে আমাক ভয় খুৱাব নোৱাৰিব৷ ৰাহুল গান্ধীয়ে জনসংযোগ স্থাপনৰ লক্ষ্যৰে আৰম্ভ কৰা এই যাত্ৰা অসমত প্ৰৱেশ কৰাৰ পাছতে বিক্ষিপ্ত ঘটনা সংঘটিত হয়৷ শোণিতপুৰ জিলাত কংগ্ৰেছৰ কেন্দ্ৰীয় নেতা জয়ৰাম ৰমেশক আক্ৰমণ কৰাৰ লগতে লখিমপুৰত বেনাৰ-পোষ্টাৰ ফালি পেলোৱা হয়৷ ভাৰত জোড়ো ন্যায় যাত্ৰা আৰু ৰামৰ প্ৰাণ প্ৰতিষ্ঠাৰ কথা উল্লেখ কৰি মৰিগাঁও জিলা প্ৰশাসনে চোৰাংচোৱা তথ্যৰ উদ্ধৃতি শান্তি বজাই ৰখাৰ বাবে সতৰ্কতা গ্ৰহণ কৰে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই কংগ্ৰেছক এখন পত্ৰ প্ৰদান কৰি সম্ভাব্য ঘটনাৰ কথা উল্লেখ কৰিছে৷ চোৰাংচোৱা তথ্যৰ ভিত্তিত, জিলা প্ৰশাসনে দুৰ্বৃত্তই অপ্ৰীতিকৰ ঘটনাৰ আশংকা কৰে৷ অসামাজিক কাৰ্যত লিপ্ত হৈ জিলাখনৰ শান্তি বিঘ্নিত কৰিবলৈ চেষ্টা কৰিব পাৰে বুলি কয় পত্ৰখনত। জেড প্লাছ সুৰক্ষাপ্ৰাপ্ত ৰাহুল গান্ধীৰ সুৰক্ষা আৰু নিৰাপত্তা নিশ্চিত কৰাৰ প্ৰয়োজনীয়তাৰ কথাও উল্লেখ কৰে জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই মৰিগাঁও চহৰৰ শ্ৰীমন্ত শংকৰদেৱ চকৰ পৰা বিহুতলী, আৰক্ষী পইণ্ট পথ এৰি চলিবলৈ আহ্বান জনায়৷



# কাজিৰঙাত গঁড় হত্যা, কাটি নিলে খৰ্গ

**ই-সংবাদ, ২২ জানুৱাৰীঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত কটকটীয়া নিৰাপত্তা ব্যৱস্থা কৰা বুলি দাবী কৰি অহা হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনতে সংঘটিত হৈছে গঁড় হত্যা। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত চোৰাং চিকাৰীয়ে গঁড় হত্যা কৰা খৰ্গ কাটি নিয়াৰ দৰে ঘটনা সংঘটিত হৈছে। কাজিৰঙাৰ অগৰাতলী ৰেঞ্জত খৰ্গ বিহীন মৃত গঁড় উদ্ধাৰ হৈছে। চোৰাং চিকাৰীয়ে গঁড়টোক গুলীয়াই হত্যা কৰি খৰ্গ কাটি নিয়াৰ সন্দেহ কৰা হৈছে। অগৰাতলীৰ মাকলুং বন শিবিৰত মৃত গঁড় উদ্ধাৰ কৰাৰ পাছতে চোৰাং চিকাৰীক বিচাৰি বন বিভাগে অভিযান আৰম্ভ কৰা বুলি জানিব পৰা গৈছে।

# চিনাতলীত বিজেপিৰ কাৰ্যালয় 'শ্ৰীৰাম ভৱন'ৰ আধাৰশিলা স্থাপন

**ই-সংবাদ, খুমটাই, ২২ জানুৱাৰীঃ** আজি গোলাঘাটৰ খুমটাই সমষ্টিৰ চিনাতলীত ভাৰতীয় জনতা পাৰ্টীৰ চিনাতলী মণ্ডলৰ দলীয় কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰা হয়। আধাৰশিলা স্থাপন কৰে খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই। চিনাতলীৰ সমাজসেৱী নিতেন শইকীয়াই কাৰ্যালয় নিৰ্মাণৰ বাবে ভূমি দান কৰিছে। আজি অযোধ্যাত ৰাম মন্দিৰ প্ৰাণ প্ৰতিষ্ঠা সমাৰোহৰ দিনটোতে নিৰ্মাণৰ শুভাৰম্ভ কৰা কাৰ্যালয়ৰ নাম শ্ৰীৰাম ভৱন ৰখা হ'ব বুলি বিধায়ক মৃণাল শইকীয়াই ঘোষণা কৰিছে। এই অনুষ্ঠানত বিধায়কগৰাকীৰ উপৰিও ভাৰতীয় জনতা পাৰ্টী গোলাঘাট জিলাৰ জিলাৰ সভাপতি দেৱ প্ৰদীপ বৰা, বিধায়ক মৃণাল শইকীয়াৰ সহধৰ্মিনী জুৰি শইকীয়া, ভাৰতীয় জনতা পাৰ্টীৰ গোলাঘাট জিলা সমিতিৰ উপ-সভাপতি হৰিপ্ৰসাদ দত্ত, সম্পাদক পৰাগ বৰা, মহিলা মৰ্চাৰ জিলা সভানেত্ৰী জুনু গগৈ, জিলা পৰিষদৰ সদস্য মুনীন্দ্ৰ মোহন গগৈ আৰু অৰুণ গগৈ, চিনাতলী মণ্ডলৰ সভাপতি অমৰজ্যোতি বৰা, মিছামৰা মণ্ডলৰ সভাপতিৰ লগতে কেইবাখনো পঞ্চায়তৰ সভাপতি, ৱাৰ্ড সদস্য তথা বিজেপিৰ কাৰ্যকৰ্তা, চিনাতলী বৰ নামঘৰ সমাজ পৰিষদৰ বিষয়-ববীয়া উপস্থিত থাকে।



# ফটকাৰ পৰা ওদালগুৰিত ভয়ংকৰ অগ্নিকাণ্ড! সম্পূৰ্ণৰূপে জাহ গ'ল দোকান

**ই-সংবাদ, ওদালগুৰি, ২২জানুৱাৰীঃ** আজি নিশা প্ৰায় ৮-৩০ বজাত ওদালগুৰি সদৰস্থিত পুৰণি শিৱ মন্দিৰৰ সন্মুখত অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। অগ্নিকাণ্ডটোৰ ফলত এটা গুদামৰ লগতে সমীপতে থকা এটা পৰিয়ালসহ গহনাৰ দোকান কিছু ক্ষতিগ্ৰস্থ হয়। অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ অৱগত হোৱা নাই যদিও ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা উপলক্ষে ফটোৱা ফটকাৰ পৰা এই অগ্নিকাণ্ড সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে। প্ৰথম অৱস্থাত এখন অগ্নিনিৰ্বাপক বাহিনীয়ে কিছু পৰিমাণে অগ্নি নিৰ্বাপনৰ চেষ্টা চলায় যদিও পৰৱৰ্তী সময়ত চাৰিখনকৈ অগ্নি নিৰ্বাপক বাহনে অগ্নি নিৰ্বাপন কৰিবলৈ সক্ষম হয়। অগ্নিকাণ্ডৰ ফলত কোনো লোক হতাহত হোৱা নাই যদিও অঞ্চলজুৰি চেপা উত্তেজনাই বিৰাজ কৰে। উল্লেখযোগ্য যে উক্ত স্থানৰ লগতে ওদালগুৰিৰ আন দুটা স্থানতো একে সময়তেই অগ্নিকাণ্ড সংঘটিত হোৱাৰ খবৰ লাভ কৰা হৈছে যদিও বাতৰি লিখা পৰলৈ ক্ষয়-ক্ষতিৰ বিষয়ে সৱিশেষ জানিব পৰা হোৱা নাই।

শেষ পৃষ্ঠা

# অন্ধ্ৰৰ হাতত পৰাস্ত অসম

**ডিব্ৰুগড়, ২২ জানুৱাৰীঃ** চলিত ৰঞ্জি চিজনত দ্বিতীয়টো পৰাজয় স্বীকাৰ কৰিছে অসমে। ইয়াৰ জালান আউটড'ৰ ষ্টেডিয়ামত চলি থকা মেছৰ আজি অন্তিম দিনা অন্ধ্ৰপ্ৰদেশৰ বিৰুদ্ধে দলটোক জয়ৰ বাবে প্ৰয়োজন আছিল ২৮২ ৰানৰ। প্ৰথম ইনিংছ অন্ধ্ৰৰ ১৮৮ ৰানৰ প্ৰত্যুত্তৰত ১৬০ ৰান কৰা অসমক দ্বিতীয় ইনিংছত জয়ৰ বাবে সামগ্ৰিকভাৱে ৩৬৩ ৰানৰ প্ৰয়োজন হৈছিল। কালি দ্বিতীয় ইনিংছ আৰম্ভ কৰি ৮১ ৰানতে পাঁচটাকৈ উইকেট হেৰুৱাই বিপদত পৰা ঘৰুৱা দলটোৱে আজি ৪৮.২ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৭২ ৰানত পৰাজয় বৰণ কৰে। দলৰ হৈ অধিনায়ক ৰিয়ান পৰাগে সৰ্বাধিক ৭৫ ৰান কৰে। সুমিত ঘাদিগাঁওকাৰৰ বেটৰ পৰা আহে ৬০ ৰান। অন্ধ্ৰৰ ললিত মোহনে ৮১ ৰানত চাৰিটা আৰু গিৰিনাথ ৰেড্ডীয়ে ৫৭ ৰানত তিনিটা উইকেট দখল কৰে। অসম দলৰ অধিনায়ক ৰিয়ান পৰাগৰ বাহিৰে কোনো বেটাৰে ধাৰাবাহিকতা ৰক্ষা কৰিব নোৱাৰাটো দলৰ পৰাজয়ৰ অন্যতম কাৰণ বুলি বিবেচিত হৈছে। অসমে এতিয়ালৈকে তিনিখন মেছৰ দুখনত পৰাস্ত হোৱাৰ বিপৰীতে এখন ড্ৰ খেলি এক পইণ্ট পায় গ্ৰুপ 'বি'ৰ আঠটা দলৰ ভিতৰত সপ্তম স্থানত আছে। দলটোৱে পৰৱৰ্তী মেছত শক্তিশালী বংগৰ বিপৰীতে খেলিব।



মেঘালয়ত পথৰ দাঁতিৰ ব্যৱসায়ীৰ পৰা আনাৰস কিনি খাইছে ৰাহুল গান্ধীয়ে



■ ৰাম লালাৰ প্ৰাণ প্ৰতিষ্ঠাৰ সময়ত মধ্যপ্ৰদেশত গীৰ্জাৰ ওপৰত উঠি গেৰুৱা বস্ত্ৰ বান্ধিলে হিন্দুত্ববাদীয়ে

# প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানত বলীউডৰ তাৰকাৰ ভিৰ

**অনলাইন ফিচাৰ্ছ, ২২ জানুৱাৰীঃ** ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানলৈ দেশৰ শতাধিক সুপ্ৰসিদ্ধ ব্যক্তিক আমন্ত্ৰণ জনোৱা হৈছিল। যাৰ ভিতৰত আছে অমিতাভ বচ্চন, ৰজনীকান্ত, শচীন তেণ্ডুলকাৰ, মুকেশ আম্বানি, নীতা আম্বানিৰ দৰে তাৰকা আৰু উদ্যোগপতিও। এই কাৰ্যসূচীত কেইবাহাজাৰ লোকে অংশগ্ৰহণ কৰা বুলি দাবী কৰা হৈছে। অনুষ্ঠানৰ আৰম্ভণিতে সোণু নিগম, অনুৰাধা পোড়ৱাল, শংকৰ মহাদেৱনৰ দৰে কণ্ঠশিল্পীয়ে ৰাম ভজন পৰিৱেশন কৰে। ইয়াৰ পিছত শ্ৰী ৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰ ট্ৰাষ্টৰ সাধাৰণ সম্পাদক চম্পট ৰায়ে মন্দিৰৰ সৈতে জড়িত বহু তথ্যৰ উন্মেষ ঘটায়। প্ৰণিধানযোগ্য যে, কৰ্ণাটকৰ বিশেষ শিলেৰে মহীশূৰৰ ভাস্কৰ্যশিল্পী অৰুণ যোগীৰাজে প্ৰস্তুত কৰিছে ৰাম লালাৰ প্ৰতিমূৰ্তিটো। ইফালে মন্দিৰৰ ভেটি হৈছে ১৪ মিটাৰ। আগন্তুক কেইবা হাজাৰ বছৰলৈ অক্ষত ৰাখিব পৰাকৈ অত্যাধুনিক প্ৰযুক্তিৰে নিৰ্মাণ কৰা হৈছে ৰাম মন্দিৰটো। মন্দিৰত এনে এক কেন্দ্ৰও নিৰ্মাণ কৰা হৈছে, য'ত ২৫ হাজাৰ ভক্তই নিজৰ জোতা, চেন্ডেল আৰু মোবাইল ফোন ৰাখিব পাৰিব। ৰাম মন্দিৰৰ অভিষেক অনুষ্ঠানত অংশগ্ৰহণ কৰা দেশৰ সুপৰিচিত ব্যক্তি সকলৰ ভিতৰত আছে সংঘৰ মুৰব্বী মোহন ভাগৱত, উদ্যোগপতি নীতা আম্বানী আৰু মুকেশ আম্বানী, প্ৰাক্তন ক্ৰিকেটাৰ শচীন তেণ্ডুলকাৰ, উমা ভাৰতী, অভিনেতা পৱন কল্যাণ, ছবি পৰিচালক সুভাষ ঘাই, অভিনেতা চিৰঞ্জীৱী, কৈলাশ সত্যাৰ্থী, সংগীতকাৰ অনু মালিক, ৰণবীৰ কাপুৰ, আলিয়া ভাট, বিকি কৌশল, কেটৰিনা কাইফ, জেকি শ্ৰফ, উদ্যোগপতি তথা যোগগুৰু ৰামদেৱ, ধীৰেন্দ্ৰ শাস্ত্ৰী, অনিল কুম্বলে, অনুপম খেৰ, অভিনেত্ৰী কংগনা ৰানাৱত, বিবেক ওবেৰয়, বেডমিণ্টন খেলুৱৈ ছাইনা নেহৱাল আদি।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান